# এলিফেণ্ট হুইছ্‌পাৰাৰ্ছ

## বনৰীয়া হাতীৰ মন জয় কৰা মানুহকেইজন

পৰাগ কুমাৰ ডেকা

...সাম্প্ৰতিক সময়ত ভাৰতবৰ্ষ তথা গোটেই বিশ্বৰ সমাজ-ৰাজনীতিত এই দুটা বিষয়েই অতি গুৰুত্বপূৰ্ণ হৈ উঠিছে। এনে পৰিস্থিতিত এই তথ্যচিত্ৰখনে বোম্মন-বেল্লী-ৰঘু-অম্মুৰ জীৱনৰ পৰা দৰ্শকৰ মাজলৈ যি বাৰ্তা কঢ়িয়াই আনিছে সেয়া অতি তাৎপৰ্যপূৰ্ণ...



এইবাৰ অস্কাৰত ২০২২ চনৰ শ্ৰেষ্ঠ চুটি তথ্যচিত্ৰৰ বঁটা পোৱা ভাৰতীয় ছবিখনৰ নাম 'দ্য এলিফেণ্ট হুইছপাৰাৰ্ছ'। পৰিচালক কাৰ্তিকী গঞ্চালভেছ। ছবিখনৰ নামটোৰ এক বিশেষ তাৎপৰ্য আছে। এই নামটোত ২০০৯ চনত প্ৰকাশিত *দি এলিফেণ্ট হুইছপাৰাৰ* শীৰ্ষক কিতাপ এখনৰ নামৰ প্ৰতিধ্বনি শুনিবলৈ পোৱা যায়। উক্ত কিতাপখনৰ ৰচয়িতা আছিল লৰেঞ্চ এণ্টনি নামৰ দক্ষিণ আফ্ৰিকাৰ সংৰক্ষণবিদ এজন। এণ্টনিৰ এই বিখ্যাত কিতাপখনৰ শিৰোনামত থকা 'হুইছপাৰাৰ' শব্দটো একবচন, কিন্তু গঞ্চালভেছৰ তথ্যচিত্ৰখনৰ 'হুইছ্‌পাৰাৰ্ছ' শব্দটো বহুবচন। তাৰ বাহিৰে দুয়োটা নাম একেই।

এই 'হুইছ্‌পাৰাৰ' শব্দটো আহিছে ইংৰাজী ভাষাৰ 'হুইছ্‌পাৰ' শব্দৰ পৰা, যাৰ অৰ্থ ফুচ্‌ফুচনি বা ভুন্‌ভুননি। পিচে ইংৰাজীত 'হুইছ্‌পাৰাৰ' শব্দটোৱে 'ফুচ্‌ফুচাই কথা কওঁতা' অৰ্থটোৰ উপৰি আন এক অৰ্থও বহন কৰে। সেই অৰ্থত শব্দটোক বন্য জীৱ-জন্তুৰ সৈতে মানুহৰ এক বিশেষ ধৰণৰ আত্মীয়তাৰ কথা বুজাবলৈ ব্যৱহাৰ কৰা হয়।

যি মানুহে কোনো শাৰীৰিক বল প্ৰয়োগ নকৰাকৈ মাথোঁ কোমল, মৰমিয়াল মাত-কথা, বন্ধুত্বপূৰ্ণ শাৰীৰিক ভাব-ভংগীৰ সহায়ত কোনো বন্য জন্তুৰ বিশ্বাস আৰু মৰম আদায় কৰে, তেনে মানুহকে 'হুইছ্‌পাৰাৰ' বুলি কোৱা হয়। সেই অৰ্থতে ইংৰাজীত 'হৰ্ছ হুইছ্‌পাৰাৰ', 'লায়ন হুইছ্‌পাৰাৰ' আদি অভিব্যক্তি ব্যৱহাৰ কৰা হয়। 'এলিফেণ্ট হুইছ্‌পাৰাৰ' হৈছে তেনে উপায়-পদ্ধতিৰে হাতীৰ মন জয় কৰা মানুহ।

লৰেঞ্চ এণ্টনিৰ কিতাপখন আৰু কাৰ্তিকী গঞ্চালভেছৰ তথ্যচিত্ৰখনত আমি তেনে কেইজনমান মানুহকে লগ পাওঁ।

এণ্টনিৰ কিতাপখনৰ 'এলিফেণ্ট হুইছ্‌পাৰাৰ'জন হৈছে এণ্টনি নিজে। ১৯৯৭ চনৰ পৰা পৰৱৰ্তী কেইবছৰমানৰ ভিতৰত এণ্টনিয়ে আফ্ৰিকাৰ বনৰীয়া হাতীৰ অশান্ত জাক এটাক মাথোঁ বন্ধুত্বপূৰ্ণ মাত আৰু আচৰণৰ দ্বাৰাই শান্ত কৰি তুলিছিল আৰু তেওঁৰ ব্যক্তিগত মালিকানাৰ অধীন থুলা-থুলা নামৰ অভয়াৰণ্যখনত ঘৰ খুৱাইছিল। এই হাতীৰ জাকটোৰ কেইবাটাও সদস্যই ইতিপূৰ্বে হিংসুক মানুহৰ হাতত প্ৰাণ হেৰুৱাইছিল। সেইবাবে হাতীকেইটাই মানুহ দেখিলেই হিংস্ৰ হৈ উঠিছিল। এণ্টনিয়ে অসীম ধৈৰ্য আৰু যত্নেৰে এই ক্ষুব্ধ হাতীপালটোৰ আস্থা জয় কৰিছিল।



এণ্টনিৰ এই আচৰিত ক্ষমতাৰ বাবে মানুহে তেওঁক 'এলিফেণ্ট হুইছ্‌পাৰাৰ' নামে অভিহিত কৰিছিল। এই হাতীজাকটোৰ সৈতে তেওঁৰ সমগ্ৰ অভিজ্ঞতাক এণ্টনিয়ে তেওঁৰ একে নামৰ কিতাপখনত বিশদভাৱে লিপিবদ্ধ কৰি থৈ গৈছে।

আনহাতে কাৰ্তিকী গঞ্চালভেছৰ অস্কাৰ বিজয়ী তথ্যচিত্ৰখনৰ 'এলিফেণ্ট হুইছপাৰাৰ' দুজন হৈছে এহাল আদ্‌বয়সীয়া দম্পতী। তেওঁলোকৰ নাম বোম্মন আৰু বেল্লী। এওঁলোক তামিলনাডুৰ মুডুমালাই ৰাষ্ট্ৰীয় বনাঞ্চত বসবাস কৰা কাট্টুনায়কন জনগোষ্ঠীৰ লোক। তেওঁলোকৰ মানুহবোৰে সেই বনাঞ্চলত হাজাৰ হাজাৰ বছৰ ধৰি বাস কৰি আহিছে। তেওঁলোক প্ৰকৃতাৰ্থতে সেই বনভূমিৰ সন্তান। বনৰ জীৱ-জন্তু তেওঁলোকৰ সহোদৰ স্বৰূপ।

বোম্মন পেছাত এগৰাকী মাহুত। সেই পেছা তেওঁৰ বংশগত। বোম্মনৰ পিতৃ-পিতামহ সকলোৱেই আছিল মাহুত, মাউত অথবা হাতীৰ ৰখীয়া। সকলোৱেই আছিল একো একোজন এলিফেণ্ট হুইছ্‌পাৰাৰ।

তথ্যচিত্ৰখনৰ কাহিনীভাগ বোম্মন, বেল্লী, ৰঘু আৰু অম্মুৰ ওপৰত কেন্দ্ৰিত। ৰঘু আৰু অম্মু হৈছে দুটা হাতী পোৱালি। ৰঘুক আমি দেখা পাওঁ ছবিখনৰ আৰম্ভণিৰে পৰা আৰু অম্মু আহে ছবিখনৰ পাছৰ অংশত। দুয়োটা হাতীয়েই অনাথ। সিহঁতৰ মাকহঁত বেলেগ বেলেগ সময়ত বেলেগ বেলেগ ধৰণে মৃত্যুমুখত পৰিছিল। সেই মৃত্যুৰ বাবে মানুহেই দায়ী আছিল। মাকৰ মৃত্যুৰ সময়ত ৰঘুৰ বয়স আছিল তিনি মাহ। তেনেদৰে অম্মুৰ মাকৰ মৃত্যুৰ সময়তো অম্মুৰ বয়স আছিল পাঁচ মাহ।

সদ্য মাতৃহাৰা ৰঘুক বন বিভাগে বোম্মন আৰু বেল্লীৰ হাতত তুলি দিয়ে। হাড়ে-ছালে লগা আহত হাতী পোৱালিটোক মানুহ দুগৰাকীয়ে নিজৰ সন্তানৰ দৰেই তুলি-তালি ডাঙৰ কৰে। তেওঁলোকে সিহঁতক নিজ হাতেৰে খুৱায়-বুৱায়, সিহঁতৰ গা-পা ধুৱায়, কেঁচুৱাৰ সৈতে পতাৰ দৰে সিহঁতৰ সৈতে কথা পাতে, ধেমালি-ধুমুলা কৰে। সিহঁতৰ আনন্দত তেওঁলোকো আত্মহাৰা হয়, সিহঁতৰ বিচ্ছেদত তেওঁলোকে বিষাদৰ চকুপানী টোকে।

নিজৰ জ্ঞাতি-কুটুমক হেৰুওৱা হাতী পোৱালি দুটায়ো এই অচিনাকি দুঠেঙীয়া জীৱ দুটিৰ অপত্য স্নেহত সম্পূৰ্ণৰূপে সঁহাৰি দিয়ে। তেওঁলোক দুয়োৰে নিজ হাতে খুৱাই নিদিলে ৰঘুৱে খোৱাবস্তু গিলিবলৈও অসন্মত হয়, আৰু মুখত ভৰাই দিয়া খাদ্যৰ গৰাহ সৰু ল'ৰা-ছোৱালীৰ দৰে বাৰে বাৰে উকালিয়াই দিয়ে। আনকি বেল্লীয়ে যেতিয়া নিজৰ জীয়ৰীৰ মৃত্যুত শোক-বিহ্বলা হৈ চকুলো নিগৰায়, তেতিয়া ৰঘুৱে নিজৰে শুঁৰেৰে তেওঁৰ চকুলোও মচি দিয়ে।

এইদৰেই দক্ষিণ ভাৰতৰ 'এলিফেণ্ট হুইছ্‌পাৰাৰ্ছ' বোম্মন আৰু বেল্লীয়ে মাথোঁ মৰমিয়াল মাত-কথা, বন্ধুত্বপূৰ্ণ আচৰণ আদিৰ বলতেই হাতী পোৱালি দুটাৰ মৰম আৰু বিশ্বাস লাভ কৰিবলৈ সক্ষম হয়। দক্ষিণ আফ্ৰিকাৰ 'এলিফেণ্ট হুইছ্‌পাৰাৰ' লৰেঞ্চ এণ্টনিয়েও ঠিক একে পদ্ধতিৰেই নিজৰ ঠাইৰ বনৰীয়া হাতীৰ জাকটোৰ আস্থাভাজন হৈছিল।

এইক্ষেত্ৰত লৰেঞ্চ এণ্টনিৰ সৈতে বোম্মন-বেল্লীৰ এটি পাৰ্থক্য লেখত ল'বলগীয়া। এই কথা সঁচা যে এই তিনিওজন লোকৰে প্ৰকৃতিপ্ৰেম আৰু ভূতদয়া অতুলনীয়। ২০১২ চনত হৃদৰোগত আক্ৰান্ত হৈ মৃত্যু হোৱা এণ্টনিয়ে বন্য জীৱৰ প্ৰাণৰক্ষাৰ হকে নিজৰ জীৱনকো জলাঞ্জলি দিবলৈ সৰ্বদা সাজু আছিল। কিন্তু বোম্মন-বেল্লীৰ এই প্ৰকৃতি প্ৰেমত অন্য এক বৈশিষ্ট্যও দেখা যায়। সেয়া হৈছে জীৱ আৰু অৰণ্যৰ প্ৰতি তেওঁলোকৰ সুগভীৰ শ্ৰদ্ধা আৰু ভক্তি।

এই ভক্তিৰ উঁহ কেৱল বোম্মন আৰু বেল্লীৰ হৃদয়তে নাই, আছে তেওঁলোকৰ সমাজ আৰু সংস্কৃতিতো। এক প্ৰাচীনতম পৰম্পৰাক বাহক হিচাপে বোম্মন আৰু বেল্লীয়ে সকলো জীৱকে ঈশ্বৰৰ অংশ বুলি জ্ঞান কৰে, অৰণ্যক এক পৱিত্ৰ স্থান বুলি গণ্য কৰে। বেল্লীৰ ভাষাত, 'আমাৰ কাট্টুনায়কন মানুহখিনিৰ জন্ম অৰণ্যৰ বুকুতেই। অৰণ্যৰ মংগলেই আমাৰ বাবে সকলো। আমি অৰণ্যৰ বুকুত সদায় শুদা ভৰিৰে খোজ কাঢ়োঁ। এইদৰেই আমি অৰণ্যৰ প্ৰতি শ্ৰদ্ধা নিৱেদন কৰোঁ।'

একেদৰে তথ্যচিত্ৰখনৰ মাজভাগত বোম্মনে কয়, 'আমি ভগৱান গণেশক পূজা কৰোঁ। আমাৰ কাৰণে হাতী দেখা মানেই ভগৱান দেখা। মোৰ কাৰণে হাতী আৰু ভগৱান এক। ভগৱানক মই যিদৰে সেৱা-সৎকাৰ কৰোঁ, হাতীকো কৰোঁ।'

বোম্মন-বেল্লীৰ এই কথাখিনি শুনি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ *ভক্তি-ৰত্নাকৰ* পুথিৰ ঘোষা এফাকি মনত বাজি উঠে ঃ 'সমস্ত প্ৰাণীক দেখে ঈশ্বৰ কৃষ্ণত/হৰিক দেখয় যিটো প্ৰাণী সমস্তত/... হেন দেখে যিটো সেই মহাভাগৱত।।' বোম্মন-বেল্লীৰ অপত্য স্নেহ আৰু সৰ্বজনীন শ্ৰদ্ধাৰ মাজত এই পুৰাতন আৱেগৰে সোঁত দেখিবলৈ পোৱা যায়।

এইদৰেই কাৰ্তিকী গঞ্চালভেছৰ তথ্যচিত্ৰখনত প্ৰকৃতি আৰু ঈশ্বৰ— এই দুটি বিশাল বিষয়ৰ অৱতাৰণা ঘটিছে।

সাম্প্ৰতিক সময়ত ভাৰতবৰ্ষ তথা গোটেই বিশ্বৰ সমাজ-ৰাজনীতিত এই দুটা বিষয়েই অতি গুৰুত্বপূৰ্ণ হৈ উঠিছে। এনে পৰিস্থিতিত এই তথ্যচিত্ৰখনে বোম্মন-বেল্লী-ৰঘু-অম্মুৰ জীৱনৰ পৰা দৰ্শকৰ মাজলৈ যি বাৰ্তা কঢ়িয়াই আনিছে সেয়া অতি তাৎপৰ্যপূৰ্ণ। সেই বাৰ্তা হৈছে এয়া—চেতন-জীৱ, বনভূমি, তৰু-তৃণ আদিৰ আদৰ-যত্নই হৈছে ঈশ্বৰৰ সৰ্বোৎকৃষ্ট উপাসনা। ঈশ্বৰৰ এনে উপাসনাৰ দ্বাৰাহে মানুহে নিজৰ তথা আনৰ উপকাৰ সাধন কৰিব পাৰে।

পৃথিৱীৰ প্ৰায়বোৰ মহৎ কলা আৰু আধ্যাত্মিক পৰম্পৰায়ো এই একেই বাৰ্তা বহন কৰে। আশা কৰিব পাৰি তথ্যচিত্ৰখনে একাডেমি পুৰস্কাৰ লাভ কৰাৰ ফলত এই বাৰ্তাই বিশ্বৰ মানুহৰ মাজত বহুল প্ৰচাৰ লাভ কৰিব।

ফ'ন ঃ ৭৫৭৫৯-০৯৫৪০

যি মানুহে কোনো শাৰীৰিক বল প্ৰয়োগ নকৰাকৈ মাথোঁ কোমল, মৰমিয়াল মাত-কথা, বন্ধুত্বপূৰ্ণ শাৰীৰিক ভাব-ভংগীৰ সহায়ত কোনো বন্য জন্তুৰ বিশ্বাস আৰু মৰম আদায় কৰে, তেনে মানুহকে 'হুইছ্‌পাৰাৰ' বুলি কোৱা হয়। সেই অৰ্থতে ইংৰাজীত 'হৰ্ছ হুইছ্‌পাৰাৰ', 'লায়ন হুইছ্‌পাৰাৰ' ...